# PROJECT REPORT

## ON

### "A study of Need , Importance and problems

### of women Empowerment ,

A CASE STUDY OF MAJIRGAON AREA UNDER THE RANI BLOCK

for the fulfillment of B.A. 6th semester Education Major 6.6
Paper as per the syllabus of
Gauhati university

Bhanishmita Lahkar


**Nmae of Supervisor**
Hazarat Ali
Asstt. Prof Dept. of Education
Paschim Guwahati Mahavidyalaya
Guwahati-17

**Submitted by-**
Name: Bhanishmita Lahkar
B.A. 6th Semester
Paschim Guwahati Mahavidyalaya
Roll – UA171030 No-0011
Regs. No-17013300
Session – 2019-20

# CERTIFICATE

This is to certify that **MISS BHANISHMITA LAHKAR** a student to B.A 6th Semester Education major of Pachim Guwahati Mahavidyalaya bearing Roll- UA171030 No- 0011 Registration No-**17013300** of Gauhati University has prepared this project report on the topic **"A study of Need , Importance and problems of women Empowerment , Assam "**

This is for the partial fulfillment of the requirement that has prescribed by the G.U. syllabus on education Major paper 6.6

This project report is the result of her own work and experience that carried out under my supervision and it has not published any where in any from

08/10/020

**Supervisor Signature**

# ACKNOWLEDGEMENT

আৰম্ভণিতে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ৰানা শৰ্মা, শিক্ষাবিভাগৰ মুৰব্বী অধ্যাপিকা মনীষা শৰ্মা , সহকাৰী অধ্যাপক হজৰত আলি আৰু ভূদেৱ দাস ছাৰে Project টো ক্ষেত্ৰভিত্তিক অধ্যয়নটোত যথেষ্টখিনি সুবিধা দিয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো। Project report ৰ অধ্যয়নটো সুকলমে চলাই নিয়াত সহায় সহযোগীতা আগবঢ়াইছে। শিক্ষা বিভাগৰ অধ্যাপক হজৰত আলী ছাৰে নিৰ্দেশনা প্ৰদান কৰাৰ বাবে ছাৰক ধন্যবাদ জ্ঞাপন কৰিছো। Project ৰ নিৰ্দিষ্ট এলেকাখনৰ গাওঁবুঢ়া, ৰাণী ব্লক, বিভিন্ন ব্যক্তি আদি লোকে মোৰ এই Project টোত যথেষ্ট সহায় সহযোগীতা আগবঢ়াইছে। এই সহাৰি আগবঢ়োৱা বাবে মই তেখেতসকলৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু এই অঞ্চলৰ মুৰব্বী ব্যক্তিসকলৰ ওচৰত কৃতজ্ঞতা জনালো।

শ্ৰী ভনিস্মীতা লহকৰ<br>
**Roll- UA 171030**<br>
**No- 0011**

# PREFACE

নাৰী সবলীকৰণ হৈছে পুৰুষ প্ৰধান সমাজত অবহেলিত নাৰীসকলক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু শৈক্ষিকভাৱে সজাগতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত সৃষ্টি কৰা এক মনঃতাত্ত্বিক জাগৰণ। নাৰী সবলীকৰণৰ বাবে ভাৰতীয় সংবিধানত যৌতুক নিবাৰণ আইন, দেহ ব্যৱসায় নিষিদ্ধ আইন, বাল্য বিবাহ নিয়ন্ত্ৰণ আইন, পাৰিবাৰিক হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন আদি সন্নিৱিষ্ট কৰা হৈছে। নিৰক্ষৰতা আৰু অজ্ঞতাই সৰ্বসাধাৰণ মানুহৰ মন অন্ধবিশ্বাস আৰু কু-সংস্কাৰবোৰেৰে আছন্ন কৰি ৰাখিছিল। ছোৱালীক স্কুলৰ আনুষ্ঠানিক শিক্ষা দিয়াটো পৰিয়াল তথা সমাজে সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। বৰ্তমানৰ বিজ্ঞান প্ৰযুক্তিবিজ্ঞানৰ যুগতো মানুহে কু-সংস্কাৰ, অন্ধবিশ্বাস, অস্পৃশ্যতা আদিৰ পৰা আঁতৰি আহিব পৰা নাই। মহিলাক সামাজিক ক্ষমতা প্ৰদান কৰা এটা সুদীৰ্ঘ আৰু কঠিন প্ৰক্ৰিয়া। ইয়াৰ বাবে মানুহৰ ধ্যান-ধাৰণাৰ পৰিৱৰ্তনৰ যথেষ্ট প্ৰয়োজন।

# WOMAN EMPOWERMENT

CONTENTS



| | | |
|---|---|---|
| Chapter - 1 | Introduction | 1 - 3 |
| Chapter - 2 | Statement of the Problems | 4 |
| Chapter - 3 | Objectives and hypothesis of the study | 5 - 6 |
| Chapter - 4 | Need and Importance of the study | 7 - 8 |
| Chapter - 5 | Review of Literature | 9 - 12 |
| Chapter - 6 | Field Identification | 13 - 14 |
| Chapter - 7 | Scope of the study | 15 - 17 |
| Chapter - 8 | Nature of Infromation | 18 - 20 |
| Chapter - 9 | Suggestion of the problems | 21 - 22 |
| Chapter - 10 | Data required - their Sources Methodlogy | 23 - 24 |
| Chapter - 11 | Conclusion | 25 |
| Chapter - 12 | Reporting | 26 - 28 |
| Chapter - 13 | Bibliography | 29 |

# INTRODUCTION

নাৰীয়ে সৃষ্টিৰ আধাৰ নাৰীয়ে শক্তিৰ স্বৰূপ । এখন দেশৰ সৰ্বাঙ্গীন বিকাশত পুৰুষৰ সমানেই নাৰীৰ ভূমিকা আছে, যদিও কোনো কোনো ক্ষেত্ৰত বৰ্তমান অৱস্থাত নাৰী আজিও অৱহেলিত । এই বোৰ মুক্ত কৰি নাৰী সকলক সবলীকৰণ কৰা প্ৰক্ৰিয়াটো এটা মনস্তাত্ত্বিক জাগৰণ । যাৰ জৰিয়তে নাৰী সকলক ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক দিশত জাগ্ৰত কৰি তোলা হয় । আজিৰ এই দিনটোত নাৰীক মৃত্যু বিহা হৈছে জাইনাৰূপে । বৈদিক যুগৰ পৰা মধ্য যুগটো এই সময়ছোৱাত নাৰীৰ স্থান সন্মান আছিল অপৰিসীম । লাহে লাহে যেতিয়া মনু স্মৃতি যুগৰ সময় আহিল তেতিয়া নাৰীৰ স্থান সমাজত নিম্নগামী হৈ পৰিল ।

ভাৰতীয় সংবিধানৰ ১৫ (১) নং অনুচ্ছেদ অনুযায়ী ৰাজ্য চৰকাৰে কোনো ক্ষেত্ৰতে লিংগৰ ভিত্তিত বৈষম্য প্ৰদৰ্শন কৰিব নোৱাৰিব । দেশৰ পুৰুষ আৰু মহিলাই সকলো ক্ষেত্ৰতে চৰকাৰৰ পৰা সম মৰ্যদা, সম অধিকাৰ লাভ কৰিব । ১৬ (১) নং অনুচ্ছেদ মতে দেশৰ সকলো নাগৰিকে যিকোনো অফিচ নাইবা কাৰ্যালয়ত নিয়োগৰ ক্ষেত্ৰত সম-সুবিধা লাভ কৰিব । চৰকাৰ নাইবা কৰ্তৃ-পক্ষই নাৰী নাইবা পুৰুষ বুলি বৈষম্য প্ৰদৰ্শন কৰিব নোৱাৰি । সেইদৰে শিক্ষা লাভৰ ক্ষেত্ৰতো নাৰীয়ে পুৰুষৰ লগতে সমানে সুবিধা লাভ কৰি আগুৱাই যাব পাৰিব ।

নাৰী সবলীকৰণৰ সবলীকৰণ শব্দৰ আভিধানিক অৰ্থ হৈছে বলী বা সবল কৰি তোলা। মহিলাৰ বিকাশৰ ক্ষেত্ৰত সবলীকৰণৰ ধাৰণা প্ৰথমে আগবঢ়াইছিল ১৯৮৫ চনত নাইৰোবিত অনুষ্ঠিত হোৱা "আন্তৰ্জাতিক মহিলা সন্মিলন"। এই সন্মিলনে মহিলাৰ সামাজিক ক্ষমতা পুৰুষৰ সমানে সমবিতৰণ হ'ব লাগে, আৰু দেশীয় সম্পদসমূহ মহিলাৰ বিকাশৰ বাবে নিয়ন্ত্ৰণ কৰিব লাগে বুলি মতপোষণ কৰিছে। বৰ্তমান সমাজ ব্যৱস্থাৰ পৰা লিংগবৈষম্যৰ ধাৰণা আতৰাই মহিলা সকলৰ সহজাত প্ৰৱণতা, দক্ষতা যোগ্যতা আদি বিকশাই তুলিব লাগে। ১৯৪৫ চনত 'লিংগ সমতা' চনদত স্বাক্ষৰ কৰি ৰাষ্ট্ৰসংঘই ইয়াক এক মানুহৰ মূল অধিকাৰ হিচাপে গণ্য কৰিছে।

নাৰী এটি মাথো শব্দই নহয়। নাৰী শব্দৰ মাজত অন্তৰ্নিহিত হৈ আছে নাৰীৰ মমত, সৌন্দৰ্য, সাহস আৰু ত্যাগ। নাৰী এগৰাকীক সৃষ্টিৰ প্ৰৱাল বুলি ক'ব পাৰি। নাৰী ৰহস্যময়ী, ছলনাময়ী বিভিন্ন উপমাৰে অলংকৃত নাৰী শব্দটি। সেয়ে এগৰাকী নাৰী হ'ব পাৰে কাৰোবাৰ জীয়ৰী, কাৰোবাৰ বোৱাৰী, কাৰোবাৰ পত্নী আৰু মাতৃ। এই পৃথিৱী খন জীয়াই থাকিবলৈ হ'লে নাৰীৰ প্ৰয়োজন আছে। চীনৰ প্ৰতিবাদী লেখক মাও-চে-তুং কৈছিল "অৰ্ধ আকাশ নাৰীৰ হাতত। "আন্তৰ্জাতিক মহিলা সন্মিলনে" মহিলা সবলীকৰণৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে, "মহিলাৰ সম্পৰ্কে সামাজিক ক্ষমতাৰ পুনৰ বিতৰণ আৰু সম্পদসমূহৰ নিয়ন্ত্ৰণ"।

UNSCO ৰ Gender Empowerment Index ৰ মতে- "এজন ব্যক্তি তেতিয়া ক্ষমতাশালী হয় যেতিয়া তেওঁ সামাজিক আৰু ৰাজনৈতিকভাৱে নিজৰ লগতে আনেৰো সিদ্ধান্ত নিজেই ল'ব পৰাকৈ সক্ষম হয়।"

চি. নংব্ৰি (C.Nongbri) ৰ মতে. - "ভাৰতীয় প্ৰসংগত সবলীকৰণ মানে হ'ল জাত পছন্দবোৰ বাদ্ধি লৈবলৈ মহিলাৰ ক্ষমতা উন্নীতকৰণ কৰা আৰু তেওঁলোকৰ অৰ্থনৈতিক আৰু ঘৰুৱা পৰিবেশ দক্ষতাৰে চলাব পৰাৰ ক্ষমতা বৃদ্ধি কৰা।"

ৰাষ্ট্ৰসংঘৰ সংজ্ঞামতে, মহিলা সবলীকৰণৰ মূল সংযোগী দিশ ৫ টা। সেইকেইটা দিশ তলত উল্লেখ কৰা হ'ল —

i) মহিলাৰ আত্মমৰ্যাদাৰ বিকাশ কৰা।

ii) সুযোগ আৰু উৎস ব্যৱহাৰৰ অধিকাৰ।

iii) অধিকাৰ আৰু নিজ ইচ্ছা জাগ্ৰত কৰা

iv) ঘৰৰ ভিতৰ আৰু বাহিৰত জীয়াই থকাৰ নিয়ন্ত্ৰণ ক্ষমতাৰ অধিকাৰ।

v) ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভাৱে সমাজত পৰিবৰ্তনত নিজৰ প্ৰভাৱ বিস্তাৰ কৰাৰ অধিকাৰ।

# STATEMENT OF THE PROBLEMS

মই অধ্যয়ন কৰা ঠাই খিনিৰ নাম হৈছে মাড়িৰ গাঁও। এই ঠাই খিনিৰ অধ্যয়ন কৰা মূল উদ্দেশ্য হৈছে যে ইয়াত থকা মহিলা সবলী-কৰণৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰ সমূহৰ বিষয়ে বুজ লোৱা।

# OBJECTIVES AND HYPOTHESIS OF THE STUDY

পুৰুষ আৰু মহিলাৰ মাজত থকা বিভেদ আৰু বিসমতাৰ ভাৱ আঁতৰাবৰ বাবে মহিলা সবলীকৰণ কৰি তোলাটো অতি গুৰুত্বপূৰ্ণ বিষয়বস্তু গণ্য কৰিব পাৰি। এই ক্ষেত্ৰত ইয়াৰ প্ৰধান উদ্দেশ্য সমূহ হ'ল—

১) পুৰুষ আৰু মহিলাৰ মাজত থকা লিংগ বৈষম্যৰ ভাৱ নোহোৱা কৰি তোলা।

২) শৈক্ষিক আৰু আৰ্থ সামাজিক পৰিবৰ্তন জৰিয়তে মহিলাসকলৰ জীৱন ধাৰণৰ ব্যৱস্থাৰ মান উন্নত কৰা।

৩) মহিলাৰ প্ৰতি সমাজৰ সকলো লোকৰ দৃষ্টিভংগী পৰিৱৰ্তন সাধন কৰা।

৪) মহিলাসকলক গণতান্ত্ৰিক নীতি আদৰ্শ ভিত্তিত ৰাজনৈতিক ক্ষমতা প্ৰয়োগৰ সুবিধা প্ৰদান কৰি তেওঁলোকৰ মন আৰু আচৰণ সবল আৰু শক্তিশালী কৰি তোলা।

৫) মহিলা সকলক প্ৰতিভা বিকাশত সুযোগ প্ৰদান কৰা।

৬) মহিলাসকলক দেশৰ উন্নয়নমূলক কাৰ্যৱলীত অংশ গ্ৰহণ আৰু অৰিহণা যোগাব পৰাকৈ সক্ষম কৰি তোলা ।

৭) শিক্ষাৰ ক্ষেত্ৰত স্ত্ৰী পুৰুষক সমান সুবিধা প্ৰদানৰ যোগেদি তেওঁলোকৰ মনত আত্ম বিশ্বাসৰ ভেৰ গাঢ়ি তোলা ।

৪) মহিলা সকলক তেওঁলোকৰ পাবলগীয়া অধিকাৰ অনুযায়ী সুযোগ গ্ৰহণৰ উপযোগী কৰি তোলা ।

৭) মহিলা সকলৰ সামগ্ৰিকভাৱে উন্নত, সামাজিক পৰিৱেশৰ সৃষ্টি কৰা । পৰিয়ালৰ বিভিন্ন বিষয়ত সিদ্ধান্ত গ্ৰহণত পৰামৰ্শ প্ৰদান কৰা ।

Hypothesis :-

১) গ্ৰাম্য অঞ্চলৰ মহিলাৰ শিক্ষা ব্যৱস্থা অসন্তোষ জনক ।

২) গ্ৰাম্য অঞ্চলৰ সামাজিক আৰু অৰ্থনৈতিক দুৰ্বলতাৰ বাবে মহিলা সাক্ষৰতাৰ হাৰ হ্ৰাস ।

৩) মহিলা সকলৰ সম অধিকাৰৰ ওপৰত গুৰুত্ব

# NEED AND IMPORTANCE OF THE STUDY

নাৰী-পুৰুষৰ সমবিকাশে সমাজত নতুন বিকাশ আৰু প্ৰগতি কঢ়িয়াই আনিব পাৰে। যেতিয়াই সমাজত নাৰী-পুৰুষ উভয়ে সমান অধিকাৰ লাভ কৰিব, সেই সমাজৰ পৰা দৰিদ্ৰতা, নিৰ্মূল হ'ব, অৰ্থনৈতিক বিকাশ হ'ব আৰু মাতৃ আৰু শিশুৰ স্বাস্থ্য উন্নত হ'ব বুলি ক'ব পাৰি। গতিকে মহিলা সবলীকৰণ হোৱাটো অতি প্ৰয়োজন।

1) জীৱনৰ পথত নাৰীসকলৰ ক্ষমতা বৃদ্ধি কৰাৰ অত্যন্ত প্ৰয়োজন।

2) সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজনীয় তথ্য আৰু উৎসৰ প্ৰকৃত ব্যৱহাৰ সুযোগ প্ৰদান কৰে।

3) নিজৰ বাবে সিদ্ধান্ত গ্ৰহণৰ সুবিধা প্ৰদান কৰে।

4) নাৰীসকলে মুঠ জনসংখ্যাৰ অৰ্দ্ধভাগ গঠন কৰে, গতিকে তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণ নোহোৱাকৈ কোনো এটা সামাজিক বিধান কেতিয়াও সফল ভাৱে প্ৰতিস্থাপন হ'ব নোৱাৰে।

5) নিজৰ দক্ষতা প্ৰকাশত সুবিধা লাভ কৰে।

6) নাৰীসকলে নিজে উপলব্ধি কৰিব লাগিব যে তেওঁলোকৰ সম্পূৰ্ণ সাংবিধানিক অধিকাৰ আছে যে তেওঁলোকৰ গুণমান স্বাস্থ্য যত্ন লাভ কৰে, অৰ্থনৈতিক নিৰাপত্তা থাকে, প্ৰাপ্য শিক্ষা লাভ কৰে আৰু ৰাজনৈতিক শক্তি সম্পূৰ্ণ ৰূপে থাকে।

7) অন্য ব্যক্তিৰ সংবোধন পৰিবৰ্তনত গণতান্ত্ৰিক দৃষ্টিভংগী গ্ৰহণত সুবিধা দিয়ে।

8) জীৱনৰ প্ৰতিটো ক্ষেত্ৰত নাৰীসকল দুৰ্বলতা আৰু অসমানতাৰ স্বীকাৰ হয়।

9) জনসংখ্যা বিস্ফোৰণ ৰোধ কৰা।

10) সবলীকৰণে মহিলাসকলৰ অধিকাৰ উপভোগ কৰাত সহায় কৰে।

11) সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰণ, সংকীৰ্ণতা আদি নিৰ্মূলকৰণত আগুৱাই যোৱাত সহায় কৰে।

12) পৰিবৰ্তন আৰু বিকাশৰ প্ৰতি সচেতন হোৱাত সহায় কৰে।

# REVIEW OF LITERYATURE

এখন দেশ অৰ্থনৈতিক দিশত আৰু প্ৰগতিৰ দিশত আগুৱাই যাবলৈ সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে শিক্ষিত হোৱাটো প্ৰয়োজন। নাৰী সবলীকৰণ হৈছে নাৰী সকলৰ অৱস্থাৰ পৰিৱৰ্তন ঘটোৱা এক প্ৰক্ৰিয়া। নাৰী সকলক সমাজত শক্তিশালী ভাৱে গঢ় দিবলৈ হ'লে তেওঁলোকক প্ৰথমে শিক্ষিত কৰি তোলাটো প্ৰয়োজন। এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে গোটেই পৰিয়ালটো কেই শিক্ষা দিয়া। "নাৰী সবলীকৰণ মানে ভাৰত মাতৃ সবলীকৰণ।" নাৰী সবলীকৰণৰ ওপৰত বিভিন্ন সময়ত বিভিন্ন লোকে গৱেষণা কাৰ্য কৰা দেখা যায়। পুৰুষ আৰু মহিলাৰ বৈষম্যৰ ওপৰত বিভিন্ন সময়ত বিভিন্ন কিতাপ আলোচনী আদি প্ৰকাশ পাইছে

1) Lowrene E. Shiled (1995) নাৰীসবলী কৰণৰ তাত্বিক আৰু ব্যৱহাৰিক উপযোগী কৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

2) Wallace আৰু Mareh (1991) এয়ে বিশ্ব নাৰী-সবলীকৰণৰ ওচৰত আলোকপাত কৰা দেখা যায়। এই দুজন গৱেষকে নাৰীৰ নাৰীৰ সামাজিক মানদণ্ড, মহিলাৰ জীৱন শৈলী মহিলাক বিভিন্ন ক্ষেত্ৰত

অচেতন কৰাৰ ওপৰত আৰু তেওঁলোকৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

3) Anand আৰু Sen (1995) নামৰ দুজন গৱেষকে পুৰুষ আৰু নাৰীৰ বৈষম্যৰ ওপৰত গৱেষণা কাৰ্য্য চলাইছে।

4) Human Development Report (1995) নাৰী সৱলীকৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। নাৰীৰ সামাজিক মানদণ্ড উৰ্দ্ধগামী কৰাৰ ওপৰত প্ৰচেষ্টা চলাইছে।

5) Rae Lesser Blumberg (2005) নামৰ গৱেষক নাৰীৰ অৰ্থনৈতিক স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু অৰ্থনৈতিক স্বাধীনতাৰ যোগেদিহে নাৰী সবলীকৰণত অৰিহণা যোগাব পাৰি সেই সম্পৰ্কে মত পোষণ কৰিছিল। নাৰীৰ এই অৰ্থনৈতিক স্বাধীনতাৰ যোগেৰে দেশ এখন সমৃদ্ধিশালী কৰি তুলিব পাৰি বুলি মত পোষণ কৰিছে।

"Kurukshetra" - A Journal on Rural Development (2008) জানুৱাৰী সংখ্যাৰ অলোচনী খনত নাৰী সবলীকৰণৰ ওপৰত নিবন্ধ প্ৰকাশ পাইছে। তাত উল্লেখ কৰা হৈছে যে অৰ্থনৈতিক স্বাবলম্বীতা নোহোৱা বাবে নাৰীসকল পুৰুষতকৈ পিছ পৰি আছে সেয়েহে নাৰী সবলীকৰণ কৰিবলৈ হ'লে নাৰীসকলক শিক্ষিত কৰাৰ লগতে অৰ্থনৈতিক ভাবেইও স্বাৱলম্বী কৰি তুলিব লাগিব আৰু তেতিয়াহে দেশ এখন সমৃদ্ধিশালী হোৱা সম্ভাৱনা প্ৰকট হৈ উঠে।

H. Subramanyam (2011) তেওঁতে তুলনা কৰিছে মহিলাৰ শিক্ষাৰ হাৰ আগতকৈ বৰ্তমান বহু গুণে বৃদ্ধি পাইছে। ঠিক তেনেদৰে লৰাৰ সমানে ছোৱালীও ভৱিষ্যত নিজৰ ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত আগ্ৰণি ভূমিকা পালন কৰিব পাৰে।

M. Bhabani Rao (2011) ত কৈছে যে স্বাস্থ্য ক্ষেত্ৰ খনতো মহিলা সকলে ভাল দৰে কাম কাজ কৰিব পৰা হৈছে আৰু এইটো নিশ্চিত যে পুৰুষৰ সমানে মহিলাও স্বাস্থ্য খণ্ডত কাম কৰি নিজৰ লগতে সমাজৰ উন্নতি সাধন কৰিছে।

Duflo E (2011) চনত কৈছে যে আন্তৰ্জাতিক ক্ষেত্ৰখনত এগৰাকী মহিলাই পুৰুষৰ সমানে প্ৰয়োজন সাপেক্ষে নিজৰ নিজৰ অধিকাৰ প্ৰয়োগ কৰিব পাৰে।

Venkata Rani and Venkatraman (2005) Focus কৰিছে যে SHG ৰ পৰিণাম সাপেক্ষে, মহিলা সকলে অংশ গ্ৰহণ কৰা ঘৰুৱা কামত আৰু দলৰ কামত কেনেকৈ সিদ্ধান্ত লয় তাক নিয়ন্ত্ৰণ কৰে।

"Doepke M. Tertilt M যে 2011 চনত প্ৰকাশ কৰিছিল যে মহিলাৰ ক্ষমতাই অৰ্থনৈতিক ক্ষেত্ৰখনত উন্নতি কৰাত সহায় কৰে নেকি? এই অধ্যয়নটোত দেখুৱাই যে যদি টকা পইচা মাকৰ হাতত থাকে তেতিয়া হ'লে লৰা ছোৱালীৰ লাভ লাভ হয়।

নাৰী সবলীকৰণৰ ক্ষেত্ৰত ভাৰতবৰ্ষত বিভিন্ন শিক্ষাবিদ তথা সমাজ সংস্কাৰক সকলে বিভিন্ন ধৰণৰ পৰা প্ৰদান কৰিছে। এই ক্ষেত্ৰত বিশেষ ভাৱে উল্লেখযোগ্য ব্যক্তিসকল হৈছে - পণ্ডিত জৱাহৰলাল নেহেৰু, মহাত্মা গান্ধী ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ ইত্যাদি। ভাৰতবৰ্ষৰ মহিলাসকলৰ সবলীকৰণ তথা মহিলা শিক্ষাৰ ওপৰত চিন্তা কৰা ব্যক্তিসকলৰ ভিতৰত আন এগৰাকী বিদুষী মহিলা শ্ৰী মতী এনী বেছান্তৰ নাম অতি উল্লেখযোগ্য।

সেয়েহে আমি কব পাৰো যে নাৰী সবলীকৰণৰ লগত সংগতি ৰাখি ইয়াৰ বিভিন্ন দিশসমূহৰ ওপৰত যেনে অৰ্থনৈতিক ৰাজনৈতিক পৰিপ্ৰেক্ষিত, মহিলাৰ পাৰিপুষ্টি আৰু শিশুৰ স্বাস্থ্য সম্বন্ধে, মানব অধিকাৰ সম্বন্ধে, ইত্যাদি বিভিন্ন সময়ত বিভিন্ন লোকে গৱেষণা কৰা যায়। কিন্তু অসমৰ নাৰী সবলীকৰণৰ ওপৰত খুব কম সংখ্যক বিভিন্ন লোকে গৱেষণা কাৰ্য্য কৰা দেখা গৈছে। সেয়েহে ইয়াৰ ওপৰত গৱেষণা কাৰ্য্য কৰা যথেষ্ট স্থল আছে।

# FIELD IDENTIFICATION

ৰাণী ব্লকৰ অধীনত আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত মাজিৰ গাঁও অঞ্চলত থকা ৰাজাপাৰা, কলিতাপাৰা, ঠাকুৰীয়া পাৰা, কৰকা পাৰা আৰু বৰুৱা পাৰা এই কেইখনত থকা মহিলা সবলীকৰণত শিক্ষাৰ কেনেকুৱা ভূমিকা আছে সেই সম্পৰ্কে ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বাবে প্ৰয়াস কৰা হৈছে।

i) চাৰিসীমা :- এই অঞ্চলটোৰ বিষয়ে কবলৈ গ'লে ঠাইখনৰ পূবে গড়ল, পশ্চিম দিশত পলাশবাৰী, উত্তৰ দিশে আছে ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ দক্ষিণ দিশে ৰাজহুৱা আলিবাট অৱস্থিত।

ii) প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনা :- মাজিৰ গাঁও অঞ্চলটোৰ বিষয়ে কবলৈ গ'লে ঠাইখনৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা ক'ব লাগিব। এই অঞ্চলটোৰ চাৰিওফালে গছ-গছনি আদিৰে ভৰা। মাজিৰ গাঁও অঞ্চলটোৰ প্ৰাকৃতিক দৃশ্য অতি মনোমোহা। এই অঞ্চলটোৰ লোকসকলে তেওঁলোকৰ চৌপাশ টো চাফ-চিকুণ কৰি ৰাখে। মাজিৰ গাঁও অঞ্চল টোৰ কাষেৰে ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। এই নদী খন বৈ যোৱা বাবে অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু মনোমোহা হৈ পৰিছে।

iii) <u>জীৱিকা সম্পৰ্কে আভাস</u> ঃ— এই অঞ্চলটোৰ সকলো পুৰুষ আৰু মহিলাই সমানেই উপাৰ্জনৰ বাবে পথ উলিয়াই লৈছে পুৰুষ সকলৰ ভিতৰত কিছুমান চাকৰীয়াল, কিছুমান ব্যৱসায়ী, আৰু কিছুমানে খেতি কৰি নিজৰ জীৱন নিৰ্বাহ কৰি আছে। ঠিক সেইদৰে মহিলা সকলৰ ভিতৰতো কিছু সংখ্যক মহিলাই কাপোৰ বুই চিলাইৰ কাম আৰু এমব্ৰদাৰি কৰি নিজৰ উপাৰ্জন ৰ উলিয়াই লৈছে।

# SCOPE OF THE STUDY

পুৰুষৰ শিক্ষাৰ লগতে মহিলা শিক্ষাৰ বিকাশ আৰু প্ৰগতিৰ প্ৰতিও সমানে গুৰুত্ব প্ৰদান নকৰিলে শিক্ষাৰ সামগ্ৰিক বিকাশ অসম্ভৱ। লিংগ ভিত্তিক বৈষম্য আঁতৰ কৰিব নোৱাৰিলে সমাজ জীৱনত শিক্ষাৰ বিকাশ প্ৰক্ৰিয়া গতিশীল কৰি তোলা কঠিন। প্ৰতিখন দেশৰে আৰ্থ সামাজিক, সংস্কৃতিক আদি দিশৰ প্ৰগতি নিৰ্ভৰ কৰে। সেই দেশৰ শিক্ষা প্ৰক্ৰিয়াৰ সামগ্ৰীক বিকাশৰ ওপৰত ২০১১ চনৰ লোকপিয়লৰ হিচাপ মতে ভাৰতবৰ্ষৰ সাক্ষৰতা হাৰ হৈছে 74.04% শতাংশ ইয়াৰ 81.14% পুৰুষ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ হৈছে 65.46% শতাংশ। ১৯০১ চনত ভাৰতবৰ্ষৰ সাক্ষৰতাৰ হাৰ আছিল পুৰুষৰ 66% শতাংশ আৰু মহিলাৰ 47% শতাংশ। অসমত ২০১১ চনৰ লোকপিয়ল হিচাপ অনুসৰি সাক্ষৰতা হাৰ হৈছে 73.18% শতাংশ। ইয়াৰে 78.81% শতাংশ পুৰুষ আৰু 67.27% শতাংশ মহিলা। ১৯০১ চনৰ লোকপিয়ল অনুসৰি অসমত পুৰুষৰ সাক্ষৰতাৰ হাৰ আছিল 71.93% শতাংশ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ আছিল 56.03% শতাংশ। ১৯১১ চনৰ লোকপিয়ল অনুসৰি কামৰূপ মহানগৰৰ সাক্ষৰতা হাৰ হ'ল পুৰুষৰ 91.26% শতাংশ আৰু মহিলাৰ 85.82% শতাংশ। লোকপিয়লৰ এনে তথ্যই শিক্ষাৰ দিশত পুৰুষ আৰু মহিলাৰ সমবিকাশ নোহোৱা

কথাটোকে প্ৰমাণ কৰে।

দেশৰ স্বাধীনতাৰ পিছত সংবিধানত শিক্ষাৰ সম অধিকাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে যদিও সংবিধান প্ৰণয়ন হোৱাৰ ৬৫ বছৰ পিছতো আমাৰ দেশৰ স্ত্ৰী শিক্ষা বহু পৰিমাণে পিছপৰি আছে। 10 বছৰৰ মূৰে মূৰে হোৱা প্ৰতিটো লোকপিয়লতেই মহিলাৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি পাইছে যদিও পুৰুষৰ সাক্ষৰতাৰ হাৰৰ তুলনাত ই সদায় নিম্ন স্থানত থকা দেখা গৈছে। ভাৰতৰ এক অংগৰাজ্য অসমতো একেখন ছবিয়েই দেখিব পোৱা যায়। অসমতো স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও অসমতো স্ত্ৰী শিক্ষা বিভিন্ন সমস্যা জৰ্জৰিত।

শিক্ষাৰ অভাৱৰ কাৰণেই অসমৰ মহিলাসকলে বিভিন্ন ক্ষেত্ৰত স্বাৱলম্বী হৈ উঠা দেখা পোৱা নাযায় যাৰ ফলত মহিলা সবলীকৰণৰ ক্ষেত্ৰত হেঙাৰ হিচাপে থিয় দিছে। যিবোৰ ধাৰণা মনোভাৱ আৰু পৰম্পৰাৰ বাবে আৰ্থসামাজিক ক্ষেত্ৰত মহিলা পুৰুষৰ অধিন তথা বশৱৰ্তী হৈ থাকিবলগীয়া হৈছে। সেইবোৰক প্ৰত্যাহ্বান জনোৱা আৰু পৰিবৰ্তন কৰিবৰ বাবে মহিলাৰ সামৰ্থ বঢ়োৱাৰ প্ৰক্ৰিয়াকে মহিলা সবলীকৰণ বোলে। সবলীকৰণ প্ৰক্ৰিয়াৰ যোগেদি মহিলা সকলক সামাজিক বিকাশৰ সুবিধা তথা অৰ্থনৈতিক বিকাশৰ ব্যৱস্থা কৰিব লাগে। বৰ্তমানৰ সমাজ ব্যৱস্থাৰ পৰা লিংগ বৈষম্যৰ ধাৰণা আঁতৰাই

মহিলাসকলৰ সহজাত প্ৰৱণতা, দক্ষতা, যোগ্যতা আদি বিকশাই তুলিব লাগে। আৰ্থ-সামাজিক বিকাশেহে মহিলা সকলক প্ৰকৃতাৰ্থত সবল, শক্তিশালী আৰু বিকশিত কৰি তুলিব পাৰি। মহিলা সবলীকৰণৰ অৰ্থ হৈছে - মহিলাসকলৰ অৱস্থাৰ পৰিবৰ্ত ঘটোৱা এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াক সফল কৰিবলৈ হ'লে মহিলাসকলে সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিব লাগিব আৰু তাৰ বাবে এনে সামাজিক পৰিৱেশ সৃষ্টি কৰিব লাগিব য'ত মহিলাৰ আত্মসন্মান অটুট থাকে আৰু বিশ্বাস বাঢ়ে।

শিক্ষা ৰাজনীতি উৎপাদনৰ পথ নিৰ্মাণ আদি সকলো ক্ষেত্ৰতে পুৰুষ আৰু মহিলাই সমানে সা-সুবিধা পাব লাগিব।

অপৰম্পৰাগত ভূমিকা পালন, আৰু নিজৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ সুবিধা মহিলাই পাব লাগিব।

মহিলাৰ জ্ঞান, কৌশল, অভিজ্ঞতা আৰু তেওঁলোকে সমাজলৈ আগবঢ়োৱা অৱিহণাই স্বীকৃতি পাব লাগিব।

নিজৰ আয়, শ্ৰম, দেহ, যৌন, জীৱন আৰু সম্পত্তি বা আন সম্পদৰ ওপৰত অধিকাৰ ৰখাৰ সুবিধা সমাজত মহিলাই পাব লাগিব।

# NATURE OF INFORMATION

মই কৰা গৱেষণাটোৰ মুঠ প্ৰশ্নাৱলীৰ সংখ্যা হৈছে ৩৩ টা। ইয়াৰে বিবাহিতা মহিলা সকলৰ বাবে ব্যৱহাৰ কৰা প্ৰশ্নাৱলীৰ সংখ্যা হৈছে মুঠ ২৮ টা। আৰু অবিবাহিত মহিলাৰ বাবে ব্যৱহাৰ কৰা প্ৰশ্নাৱলীৰ সংখ্যা হৈছে ২৫ টা। আমি মুঠ ৪০ ঘৰ মানুহৰ ঘৰলৈ গৈ এই গৱেষণাটোৰ ওপৰত অধ্যয়ন চলাইছিলো। ইয়াৰে ২০ ঘৰ আছিল বিবাহিতা আৰু ২০ ঘৰ আছিল অবিবাহিতা।

মাজিৰ গাঁও অঞ্চলৰ 5 খন চুবুৰী ---- ক্ৰমে ৰাভাপাৰা, কৰকাপাৰা, কলিতাপাৰা, ঠাকুৰীয়া পাৰা আৰু বৰুৱা পাৰা। এই চুবুৰী কেইটাত প্ৰায় 200 ঘৰ মানুহ আছে। ইয়াত পুৰুষৰ সংখ্যা প্ৰায় 60 শতাংশ আৰু মহিলাৰ সংখ্যা প্ৰায় 40 শতাংশ। এই চুবুৰী কেইটাৰ প্ৰায় ভাগ মহিলা শিক্ষিত তাৰে ভিতৰত কেইগৰাকী মান মহিলাই উচ্চ শিক্ষা লাভ কৰিছে আৰু কেইগৰাকী মান নিৰক্ষৰও। ঠিক সেইদৰে পুৰুষ সকল শিক্ষাগত অৰ্হতা মহিলাতকৈ অলপ বেছি। এই চুবুৰী কেইখনত মহিলা আৰু পুৰুষৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ পাৰ্থক্য দেখা নাযায়।

বিবাহিতা মহিলা ঃ- এই অঞ্চলটোৰ কৰকাপাৰা কলিতা পাৰা আৰু ঠাকুৰীয়া পাৰাত মই বিবাহিতা

মহিলাৰ ওপৰত গৱেষণ কৰিছিলো। ইয়াৰে ২০ ঘৰ বিবাহিত মহিলাৰ ঘৰত গৈ মহিলা সবলীকৰণৰ ওপৰত গৱেষণাটি চলাইছিল। ইয়াত শিক্ষিত মহিলা সংখ্যা বেছি। তাৰে ৮ গৰাকী মহিলাই উচ্চ শিক্ষা লাভ কৰিছে, ৪ গৰাকীয়ে উচ্চতৰ মাধ্যমিক পৰ্যায় লৈকে শিক্ষা লাভ কৰিছে আৰু ৫ গৰাকীয়ে প্ৰাথমিক পৰ্য্যয়তে শিক্ষা সাং কৰিছে। বাকী ৩ গৰাকী মহিলাই নিৰক্ষৰ। ইয়াৰে কিছু সংখ্যক মহিলা আত্ম সহায়ক গোটৰ লগত জড়িত হৈ আছে। কিছু সংখ্যক গো-পালন, ছাগলী পালন, গাহৰি পালন, লগতে ঘৰুৱা কাম-কাজৰ তোৰা-চিতা কৰে। কিছু সংখ্যক মহিলাই নিজে কাপোৰ বুই বিক্ৰী কৰিও নিজকে আৰ্থিক ভাৱে লাভ বান কৰি তুলিব পাৰিছে। এই গাওখনত ৰাগীয়াল দ্ৰব্য প্ৰভাৱৰ ফলত মহিলাক অত্যাচাৰ কৰা নহয়। মহিলা সকলক কাম কাজ কৰাৰ বাবে স্বাধীনতা দিয়া হয়। তেওঁ লোক পুৰুষৰ দমন মূলক প্ৰভাৱৰ দ্বাৰা প্ৰভাৱিত নহয়। অথচ সকলো ক্ষেত্ৰতে পুৰুষে তেওঁলোকক সমান চকুৰে চাই।

অবিবাহিত :- ঠিক সেইদৰে এই অঞ্চলটোৰ বাকী কেইখন ঠাই ৰাজাপাৰা আৰু বৰুৱাপাৰাত অবিবাহিত মহিলাৰ ওপৰতো গৱেষণা কৰিছিলো ইয়াতো ২০ ঘৰ অবিবাহিত মহিলাৰ ঘৰত গৈ মহিলা সবলীকৰণৰ ওপৰতো অধ্যয়ন কৰিছিলো। ইয়াত সকলো মহিলা উচ্চ শিক্ষা লাভে কৰিছে। তেওঁলোক তেওঁলোকৰ ঘৰৰ পৰা বাহিৰা কাম কাজ কৰাত কোনো ধৰণৰ বাধা প্ৰদান কৰা দেখা নগল। এওলোকৰ ভিতৰত কেইগৰাকী মান




কাপোৰ চিলাই কৰা মহিলা সৈতে

শিক্ষয়িত্ৰী আৰু বাকী বোৰৰ ভিতৰত কেইগৰাকী মানে এমব্ৰয়দাৰি, চিলাই কাম, তাঁত শালৰ কাম কৰি জীৱিকা নিৰ্বাহ কৰি আছে।

এই গাওঁখনৰ পৰিৱেশিক বাতাবৰণ সুস্থ। ইয়াৰ ঘৰ-দুৱাৰৰ অৱস্থা মধ্যম আৰু সকলোৰে ঘৰত দমকল পকী শৌচাগাৰ থকা দেখা গল। এই গাওঁৰ মহিলা সকলক কাম কৰাৰ বাবে স্বাধীনতা দিয়া হয় আৰু পুৰুষৰ সমানে সমমৰ্য্যদা প্ৰদান কৰা হয়। ইয়াৰে মহিলা সকলৰ নিৰক্ষৰৰ হাৰ আতৰোৱাৰ ক্ষেত্ৰত চৰকাৰে কিছু আচনি উলিয়াছে। এই গাঁওখনত মহিলাসকলৰ ওপৰত কুসংস্কাৰৰ প্ৰভাৱ দেখা নগল।

# SUGGESTION OF THE PROBLEMS

1) প্ৰথম আৰু প্ৰধান প্ৰাধান্যতা ভিতৰত মহিলা শিক্ষা হোৱাটো উচিত, যিটো মূলতঃ গুৰি সমস্যা। সেইবাবে, মহিলা শিক্ষাক বিশেষ ভাৱে প্ৰাধান্য দিয়া হৈছে।

2) মহিলাসকলক সজাগ কৰিবলৈ বিশেষ কৈ কিছুমান সজাগতামূলক কাৰ্য্য অনুস্থিত কৰিব লাগে বিশেষ ভাৱে যিবিলাক তেওঁলোকৰ মৌলিক সম্পত্তিসমূহৰ শাখাৰ ভিতৰত অন্তৰ্ভুক্ত।

3) মহিলাসকলক কাম কৰাৰ অধিকাৰ প্ৰদান কৰা উচিত আৰু যথেষ্ট সংখ্যক সুৰক্ষা প্ৰদান কৰা উচিত লগতে তেওঁলোকক কাম কৰাৰ প্ৰতি সমৰ্থন আগবঢ়াব লাগে। তেওঁলোকক সঠিক ভাৱে পদ লবলৈ আগবঢ়াই দিয়া উচিত আৰু লগতে তেওঁলোকক সমাজত অন্য মানুহৰ সমকক্ষকৈ কাম কৰিবলৈ উৎসাহিত কৰি তুলিব লাগে।

4) সমাজত কেকোঁৱাৰ দৰে চলি অহা কু-অভ্যাস সমূহ দূৰ কৰিবলৈ আমি কিছুমান কাৰ্য্যপন্থা আৰু আইনৰ দৃঢ় পৰিচালনা কৰিব লাগিব।

5) নাৰী পুৰুষৰ মাজত থকা বৈষম্যতাৰ আলোক পাত।

6) চহৰৰ মহিলা সকলৰ দৰে গাঁওৰ মহিলা সকলকো সুবিধা প্ৰদান কৰা।

# DATA REQUIRED - THEIR SOURCES METHODOLOGY

ৰাণী উন্নয়ন খণ্ডৰ মাজিৰ গাঁও অঞ্চলৰ কৰকাপাৰা, ঠাকুৰীয়াপাৰা, বৰুৱা পাৰা, ৰাজা পাৰা আৰু কলিতাপাৰা চুবুৰী কেইখনৰ মহিলাসকলৰ শিক্ষাৰ সমস্যা সম্পৰ্কে আলোচনা কৰিবৰ বাবে প্ৰকল্প এটা তৈয়াৰ কৰি লোৱা হৈছে। এই প্ৰকল্পটোৰ লগত সংহতি ৰাখি তথ্য সমূহক সাধাৰণতে প্ৰধানত ২টা ভাগত ভাগ কৰিব পাৰি। সেই ভাগ দুটা তলত উল্লেখ কৰা হ'ল -

1) প্ৰাথমিক বা মুখ্য তথ্য
2) গৌণ তথ্য

প্ৰাথমিক তথ্যসমূহ আমি সংগ্ৰহ কৰোতে তিনিটা পদ্ধতি অৱলম্বন কৰিছো। সেই তিনিটা পদ্ধতি হ'ল —

i) পৰ্য্যবেক্ষণ পদ্ধতি
ii) সাক্ষাৎকাৰ পদ্ধতি
iii) প্ৰশ্নাৱলী পদ্ধতি

i) পৰ্য্যবেক্ষণ পদ্ধতি :- পৰ্যবেক্ষণ পদ্ধতি হ'ল নিৰ্দিষ্ট অঞ্চলটোৰ মানুহৰ ঘৰে ঘৰে গৈ নিজে সংগ্ৰহ কৰা তথ্য।

ii) সাক্ষাৎকাৰ পদ্ধতি :- সাক্ষাৎকাৰ পদ্ধতি হ'ল নিৰ্দিষ্ট অঞ্চলটোৰ গাঁওবুঢ়া লগতে অন্যান্য ব্যক্তিসকলক সেই

ঠাইখনৰ বিষয়ে আৰু মহিলা সবলীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা কেনেকুৱা তাৰ বিষয়ে কিছু তথ্য সংগ্ৰহ কৰা।

iii) প্ৰশ্নাৱলী পদ্ধতি :- প্ৰশ্নাৱলী হৈছে শিক্ষণ প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ কৌশল। প্ৰশ্নসোধা কাৰ্য্যৰ দ্বাৰা শিকোৱা, শিকা আৰু মূল্যায়ন কৰা এই তিনিটা কাৰ্য্য প্ৰণালীবদ্ধ ভাৱে সম্পাদন কৰা সম্ভৱ। সেয়েহে এই অঞ্চলটোৰ মহিলা সবলীকৰণৰ দিশত বিভিন্ন প্ৰশ্ন প্ৰস্তুত কৰি তাৰপৰা তথ্য সংগ্ৰহ কৰি মোৰ প্ৰকল্প টোত বিষয়বস্তুৰ কিছুমান যাৱতীয় তথ্য সংগ্ৰহ কৰিছো।

2) গৌণ তথ্য :- গৌণ তথ্যসমূহ মই বিভিন্ন ধৰণৰ বুক, কিতাপ, আলোচনী, বাতৰি কাকত, ইণ্টাৰনেট ইত্যাদিৰ পৰা তথ্য সংগ্ৰহ কৰিছো আৰু ইয়াত উক্ত অঞ্চলটোৰ বুৰঞ্জী ব্যক্তিসকলৰ পৰাও কিছু তথ্য সংগ্ৰহ কৰিছো।

# CONCLUSION

মহিলাসকলৰ শিক্ষা আৰু সবলীকৰণৰ অবিহনে এখন সুস্থ সমাজ গঢ়ি উঠিব নোৱাৰে। বৰ্তমান সময়ত নাৰীসকল তেওঁলোকৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি অধিক সচেতন হৈ উঠিছে। শিক্ষাবিদ সকলে কয় যে - "মাতৃয়েই শিশুৰ প্ৰথম শিক্ষক।" শিশুৰ সুস্থ বিকাশৰ বাবে নাৰীসকলক সকলো দিশৰ পৰা শক্তিশালী হোৱাটো আৱশ্যক মহিলাসবলীকৰণৰ বাবে সমাজৰ সকলো দিশত সুস্থ সবল বাতাবৰণ তৈয়াৰ কৰি সবলীকৰণৰ প্ৰক্ৰিয়াটো বাস্তৱমুখী কৰি তুলিব লাগিব।

# REPORTING

ধালী ব্লকৰ অধীনত আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত মাজিৰ গাওঁ অঞ্চলৰ মহিলা সকলৰ সবলীকৰণত শিক্ষাৰ ভূমিকা সম্বন্ধে লোৱা প্ৰকল্পটো ১৫-০৩-২০২০ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছিল আৰু ইয়াৰ সমাপ্তি ঘটে তাৰিখে ১৮-০৩-২০২০ দিনৰ অন্তৰ পিছত এই প্ৰকল্পটোৰ বাবে কৰা পৰ্যায়লোচনাৰ অন্ত পৰে।

এই প্ৰকল্পটোৰ দ্বাৰা কিছুমান সুকীয়া অভিজ্ঞতা আহৰণ কৰাৰ লগতে ইয়াৰ মহিলা সকলৰ সা-সুবিধা তেঁওলোকৰ সমস্যা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ষেত্ৰত তেওঁলোকৰ স্থিতি সম্পৰ্কে জানিব পৰা গল এই অঞ্চলৰ সামগ্ৰীক উন্নত বুলিয়েই কব লাগিব। কাৰণ ইয়াৰ মহিলা সকল বাল্য বিবাহ, যৌতুক প্ৰথা, ডাইনী হত্যা, যৌন উৎপীড়ন আদি কুসংস্কাৰৰ প্ৰভাৱৰ পৰা মুক্ত। মহিলাসকলে শিক্ষা লাভ কৰিব পাৰিলেহে তেঁওলোক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱৰ দ্বাৰা নিজকে দ্ৰুত আধুনিকীকৰণ কৰি তুলিব পাৰিব। এই অঞ্চলৰ মহিলাসকলৰ কৰ্মজীৱন অতি সাধাৰণ। এই মহিলা সকলৰ বেছিভাগ ঘৰুৱা কৰ্ম জীৱনৰ মাজতেই আবদ্ধ হৈ আছে। কেইগৰাকী মান মহিলাই হে অৰ্থ উপাৰ্জনৰ লগত জড়িত হৈ আছে। এই অঞ্চলৰ মহিলা সকলে

ঘৰতেই গৰু, ছাগলী, তাঁত ৱোৱা, চিলাই, এমব্ৰয়দাৰি আদি বিভিন্ন কৰ্ম কৰি তাৰ পৰা আৰ্থিক উপাৰ্জন লাভ কৰিছে যদিও এইক্ষেত্ৰত তেওঁলোকৰ বৃত্তি মূলক প্ৰশিক্ষণ প্ৰয়োজন অনুভৱ হয়। তেওঁলোকে চৰকাৰ বা অন্যান্য কোনো স্বেচ্ছাসেৱী অনুষ্ঠানৰ জৰিয়তে এই সুবিধা লাভ কৰিব পৰা নাই। নিৰক্ষৰ প্ৰাপ্তবয়স্ক মহিলাসকলক সাক্ষৰ কৰাৰ বাবেও এই অঞ্চলত চৰকাৰ বা স্বেচ্ছাসেৱী সংগঠন সমূহৰ পৰাও সহায় বা সাহাৰ্য্য লাভ কৰিব পৰা নাই।

শেষত ইয়াকে কব পাৰি যে এই অঞ্চলৰ নিৰক্ষৰ মহিলা সকলক সাক্ষৰ কৰাৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব লাগে বিশেষকৈ তেওঁলোকক পাঠদান দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁ লোকৰ কৰ্ম জীৱনক আৰু অধিক উন্নত কৰি তুলিবৰ বাবে বৃত্তিমূলক প্ৰশিক্ষণ দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে। যেতিয়া এই অঞ্চলৰ মহিলাসকল অৰ্থনৈতিক দিশত সম্পূৰ্ণৰূপে স্বাৱলম্বী হৈ উঠিব তেতিয়া তেওঁলোকে ঘৰখনৰ লগতে সামাজিক, ৰাজনৈতিক সকলো ক্ষেত্ৰতেই পুৰুষক প্ৰত্যাহ্বান জনাব পৰাৰ সক্ষমতা লাভ কৰিব পাৰিব।

এইটো সম্ভৱ হৈ উঠিব একমাত্ৰ শিক্ষাৰ জৰিয়তে। শিক্ষাই তেওঁলোকৰ অজ্ঞতা বা নিৰক্ষৰতা

অতবোহে জ্ঞানৰ জ্যোতিৰে আলোকিত কৰি তুলিব পাৰিব। মহিলা সকল শিক্ষিত হৈ উঠিব পাৰিলেহে তেওঁৰ দ্বাৰা ছোৱালী শিক্ষা লাভৰ প্ৰতি আগ্ৰহিত কৰিব পাৰিব। গণতান্ত্ৰিক নাগৰিক হিচাপে মহিলাসকলৰো যে পুৰুষৰ সমানেই অধিকাৰ আৰু সমতা আছে এই বিষয়ে মহিলাসকলক জ্ঞাত কৰাৰ বাবে তেওঁ -লোকক শিক্ষিত কৰি তুলিব লাগিব।

# BIBLIOGROPHY

1. স্নাতক মহলাৰ তৃতীয় ষান্মাসিকৰ "উন্মেষিত বিচাৰ্য বিষয়বোৰ আৰু শিক্ষা" লেখক ইন্দিৰা শইকীয়া, ৰুনুমি দেৱী, উৎপল কলিতা আৰু দীপালী দত্ত। Page no- 35 ৰপৰা 50 লৈ।

2. স্নাতক মহলাৰ প্ৰথম ষান্মাসিকৰ 'শিক্ষাতত্ত্ব", লেখক - ড° ফুল্লু দাস শৰ্মা, ড° জ্যোতিৰাণী বৰা আৰু নিৰ্মালী মালাকৰ। Page no - 276 ৰ পৰা 285 লৈ

3. স্নাতক মহলাৰ দ্বিতীয় ষান্মাসিকৰ "শিক্ষা সমাজ বিজ্ঞান" লেখক ড° বীৰেন্দ্ৰ ডেকা। Page no - 135 - 150 লৈ

4. স্নাতক মহলাৰ তৃতীয় ষান্মাসিকৰ "উন্মেষিত বিচাৰ্য বিষয়বস্তুবোৰ আৰু শিক্ষা" লেখক ড° মুকুন্দ শৰ্মা। Page no - 104 ৰ পৰা 125 লৈ।

ইয়াৰ উপৰিও মই Internet ৰ সহায় লৈ মহিলা সবলীকৰণৰ বিষয়টোৰ ওপৰত কিছু তথ্য সংগ্ৰহ কৰিছো।

# অবিবাহিত মহিলাৰ বাবে প্ৰশ্নাৱলী

১. নামঃ

২. বয়সঃ

৩ শিক্ষাগত অৰ্হতাঃ

৪. পৰিয়ালৰ ধৰণঃ যৌথ/ একক

৫. মাক দেউতাকৰ শিক্ষাগত অৰ্হতাঃ

৬. অভিভাৱকৰ জীৱিকাঃ পিতৃঃ মাতৃঃ

৭. ভাই ভনীৰ সংখ্যাঃ

৮. কেতিয়াবা দেখা যায় যে ছোৱালীতকৈ লৰাৰ শিক্ষাৰ ক্ষেত্ৰত বেছি প্ৰাধান্য দিয়া হয়। এই কথাটো আপুনি সমৰ্থন কৰেনে?

➢

৯. আপুনি অৰ্থ উপাৰ্জনৰ বাবে কিবা কৰে নেকি? (কৰে/নকৰে)

➢

১০. আপোনাৰ অভিভাৱকে আপোনাৰ পঢ়া শুনাতকৈ ঘৰুৱা কাম কাজৰ প্ৰতি বেছি গুৰুত্ব প্ৰদান কৰে নেকি?

➢

১১. পঢ়াৰ ক্ষেত্ৰত আপোনাৰ পৰিয়ালৰ লোকে বাধা প্ৰদান কৰিছে নেকি?

➢

১২. বিয়াৰ পিছতো আপুনি পঢ়া-শুনা কৰিব বিচাৰে নেকি? (বিছাৰো/নিবিছাৰো)

➢

১৩. পৰিয়ালৰ আৰ্থিক দিলে আপোনাৰ শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি কৰিছে নেকি?

➢

১৪. মহিলা সকলৰ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যিবোৰ আঁচনি হাতত লৈছে সেইবোৰ ফলপ্ৰসূ হোৱা বুলি ভাবেনে?

➢

১৫ আপোনাৰ অঞ্চলৰ মহিলা সকল্ৰ নিৰক্ষৰতা দূৰীকৰণৰ বাবে কেনে ধৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে?

➢

## বিবাহিত মহিলাৰ বাবে প্ৰশ্নাৱলী

১. নামঃ

২.বয়সঃ

৩ শিক্ষাগত অৰ্হতাঃ

৪. জীৱিকাঃ

৫. স্বামীৰ নামঃ

৬. স্বামীৰ শিক্ষাগত অৰ্হতাঃ

৭. স্বামীৰ জীৱিকাঃ

৮. সন্তানৰ সংখ্যাঃ

৯. পৰিয়ালৰ ধৰণঃ যৌথ/ একক

১০. বিবাহ হোৱাৰ পাছতো আপোনাৰ পঢ়িবলৈ ইচ্ছা আছিল নেকি? (যদি আছিলে আপুনি অধিক পঢ়া-শুনা কিয় নকৰিলে?)

➢

১১. পৰিয়ালৰ লোকে আপোনাৰ শৈক্ষিক অৰ্হতাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা মনোভাৱ কেনেকুৱা?

➢

১২. বিবাহৰ পাছত পৰিয়ালৰ বৰ্গই পুৰুষৰ সমানে সমমৰ্যদা প্ৰদান কৰিছে নে?

➢

১৩. আপুনি অৰ্থ উপাৰ্জন কৰিব বিচাৰেনে?

➢

১৪. আপোনাক বিবাহৰ পিছতো সামাজিক দিশত যোগদান দিবলৈ পৰিয়াল বৰ্গই উচ্চাহিত কৰে নে? কৰে/নকৰে

➢

১৫. আপুনি আপোনাৰ সন্তান কেইটাৰ মাজত লৰা ছোৱালী বুলি কিবা বৈষম্য ভাৱ ৰাখে নেকি?

➢

১৬. সমাজিক বৈষম্যতাৰ বাবে মহিলাসকলে শিক্ষাৰ দিশত পিছ পৰি ৰৈছে বুলি আপুনি ভাৱে নেকি?

➢

১৭. আপোনাৰ শিক্ষাগত অৰ্হতাৰ বাবে সমাজত আপোনাৰ স্থান কেনেকুৱা?

➢

১৮. মহিলা সকলৰ নিৰক্ষতাৰ হাৰ আতৰুৱাবৰ বাবে অঞ্চলটোত কেনেধৰণৰ ব্যৱস্থা আছে?

➢